# 2018

# GEOGRAPHY

## ( General )

## ( Physical Geography—I )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions : 1×7=7

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* Which branch of physical geography deals with landforms over the earth's surface?

প্ৰাকৃতিক ভূগোলৰ কোনটো শাখাই পৃথিৱীৰ উপৰিভাগৰ ভূ-অৱয়বসমূহৰ বিষয়ে আলোচনা কৰে ?

*(b)* What is the name of the process that involves the mechanical disintegration and chemical decomposition of rocks *in situ?*

ভৌতিক আৰু ৰাসায়নিক প্ৰক্ৰিয়াৰ ফলত শিলবোৰ ভাঙি টুকুৰা-টকুৰ বা গলন হৈ একেঠাইতে পৰি থকা প্ৰক্ৰিয়াটোক কি বুলি জনা যায় ?

*(c)* Mountain belongs to which order of landform?
পৰ্বত কোন বৰ্গৰ ভূ-অৱয়ব ?

*(d)* What is the name of the process responsible for the earth movement?
ভূ-আন্দোলন সৃষ্টিকাৰী শক্তিক কি বুলি জনা যায় ?

*(e)* What do you mean by gorge?
গিৰিখাত বা কন্দৰ বুলিলে কি বুজা ?

*(f)* Give an example of depositional landform under glacial action.
হিমবাহৰ কাৰ্যৰ বাবে ভূ-অৱক্ষেপণৰ এটা উদাহৰণ দিয়া ।

*(g)* Who proposed the concept of cycle of erosion?
ক্ষয়চক্ৰৰ ধাৰণাটো কোনে উত্থাপন কৰিছিল ?

**2.** Write short notes on the following : 2×4=8
তলত দিয়াসমূহৰ চমু টোকা লিখা :

*(a)* Folded mountain / ভংগিল পৰ্বত

*(b)* Orogenic movement / গিৰিজনি আন্দোলন

*(c)* Alluvial cone / পলস শংকু

*(d)* Mariana trench / মেৰিয়ানা খাত





**3.** Answer any *three* of the following questions : 5×3=15
তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

*(a)* What do you mean by fold and fault? Explain with diagrams.

ভাঁজ আৰু চ্যুতি বুলিলে কি বুজা ? চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা ।

*(b)* Discuss briefly the physical weathering processes.

ভৌতিক বিচূৰ্ণীভৱনৰ বিষয়ে চমুকৈ আলোচনা কৰা ।

*(c)* How do the ocean currents influence the climate of a neighbouring area?

সামুদ্ৰিক সোঁতে পাৰ্শ্বৱৰ্তী ঠাইৰ জলবায়ুৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলায় ?

*(d)* Write briefly on the wind action in creation of erosional features in desert region.

মৰুভূমি অঞ্চলত বতাহৰ খনন কাৰ্যৰ ফলত সৃষ্টি হোৱা ভূ-অৱয়ববোৰৰ বিষয়ে চমুকৈ লিখা ।

**4.** Answer any *three* of the following questions : 10×3=30

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

*(a)* Discuss briefly the scope of each branch of physical geography and their interrelaions. 6+4=10

প্ৰাকৃতিক ভূগোলৰ প্ৰতিটো শাখাৰ পৰিসৰ আৰু সেইবোৰৰ মাজত থকা আন্তঃসম্পৰ্কৰ বিষয়ে চমুকৈ আলোচনা কৰা।

*(b)* Describe the concept of normal cycle of erosion with examples. 10

উদাহৰণসহ স্বাভাৱিক ক্ষয়চক্ৰৰ ধাৰণাটো বৰ্ণনা কৰা।

*(c)* Describe the bottom relief features of the Pacific Ocean. 10

প্ৰশান্ত মহাসাগৰৰ তলিৰ বন্ধুৰতাৰ বিষয়ে বৰ্ণনা কৰা।

*(d)* Discuss briefly the earth movments and their impact on the earth's surface. 10

ভূ-আন্দোলন আৰু সেইবোৰে পৃথিৱীপৃষ্ঠৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিষয়ে চমুকৈ আলোচনা কৰা।

*(e)* Describe the glacial processes and the landforms created by them. 10

হিমবাহ প্ৰক্ৰিয়া আৰু ইয়াৰ দ্বাৰা সৃষ্টি হোৱা ভূ-অৱয়ববোৰৰ বিষয়ে বৰ্ণনা কৰা।

*(f)* Give an account of marine resources and their economic importance. 10

সামুদ্ৰিক সম্পদ আৰু ইয়াৰ অৰ্থনৈতিক গুৰুত্ব সম্পৰ্কে এটি খতিয়ান দাঙি ধৰা।

★★★